**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11--10-2024
**Time :** 21-25 Hrs.

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

শাৰদীয় দুৰ্গোৎসৱৰ অষ্টমী আৰু নৱমী পূজা আজি তিথি অনুসৰি একেদিনাই সম্পন্ন হয়। এই উপলক্ষে ৰাজ্যৰ প্ৰতিখন পূজাস্থলীতে ভক্তিপ্ৰাণ ৰাইজে দেৱী দুৰ্গাৰ আশিস গ্ৰহণ কৰে। গোৱালপাৰা জিলাত আজি পুৱাৰ ভাগত বৈদিক ৰীতি-নীতিৰে অষ্টমী পূজা সমাপন কৰাৰ পাছত নৱমী পূজাও সম্পন্ন কৰা হয়। জিলাখনৰ নেপালী মন্দিৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে আজি ৯গৰাকী কুমাৰীক সজাই পৰাই কুমাৰী পূজা পালন কৰে।

**গোলাঘাট** জিলাৰ বোকাখাতৰ ঐতিহাসিক শক্তিপীঠ কাকগোঁসানী দুৰ্গা থানত আজি পৰম্পৰাগত ৰীতি নীতিৰে অষ্টমী আৰু নৱমী পূজা সম্পন্ন কৰা হয়।

**চৰাইদেউ** জিলাৰ বিভিন্ন প্ৰান্তত উলহ মালহেৰে শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰা হৈছে। জিলাখনৰ মথুৰাপুৰ, নাফুক চাহ বাগিচাৰ লগতে অধিকাংশ চাহ বাগিচাতে দুৰ্গা পূজা উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আনহাতে, শিৱসাগৰ জিলাৰ দেৱীদ'লত অষ্টমী আৰু নৱমী উপলক্ষে আজি বৃহৎসংখ্যক ভক্তিপ্ৰাণ লোকৰ সমাগম হয়। অৱশ্যে যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়কে ধৰি কেইবাখনো জিলাত সন্ধিয়াৰ ভাগলৈ অহা নেৰানেপেৰা বৰষুণে পূজাৰ আনন্দ উল্লাস কিছু পৰিমাণে ম্লান কৰে।

**গুৱাহাটী** মহানগৰীৰ পূজা মণ্ডপতো অষ্টমী আৰু নৱমী পূজা উপলক্ষে ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। অষ্টমী আৰু নৱমীৰ দিনটোত শক্তিপীঠ কামাখ্যা ধাম আৰু উগ্ৰতাৰা দেৱালয়ত অগণন ভক্তিপ্ৰাণ লোকে ভিৰ কৰে। নিশাৰ ভাগলৈ গীতানগৰ, বেলতলা,পাণ্ডু, মালিগাওঁ,ভৰলু, কুমাৰপাৰা, লতাশিল আদি পূজা মণ্ডপ সমূহত অগণন ৰাইজৰ ভিৰ পৰিলক্ষিত হয়।

০০০০০০০

বিজয়া দশমীত দেৱী প্ৰতিমা বিসৰ্জনৰ উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে বাহন চলাচলৰ ক্ষেত্ৰত কাইলৈ আৰু পৰহিলৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কাইলৈ পুৱা ১০ বজাৰ পৰা প্ৰতিমা বিসৰ্জন সমাপ্ত নোহোৱালৈকে কেইটামান পথ সম্পূৰ্ণ ৰূপে সাধাৰণ জনতাৰ বাবে বন্ধ থাকিব। আনহাতে, প্ৰতিমা কঢ়িওৱা বাহন সমূহ গুৱাহাটী ক্লাবৰ পৰা এম চি পথ হৈ উচ্চ ন্যায়ালয়ৰ কাষেৰে লাচিত ঘাটলৈ যাব পাৰিব। আনহাতে, টকৌবাৰী, পল্টন বজাৰ, উলুবাৰী, ৰিহাবাৰী দিশৰ পৰা অহা বাহন সমূহ আৰ্য নগৰ-এ কে আজাদ পথ হৈ নেপালী মন্দিৰ গধূলি বজাৰ-পানবজাৰ হৈ লাচিত ঘাটত বিসৰ্জনৰ বাবে যাব পাৰিব। একেদৰে, গণেশগুৰি, দিছপুৰ, কাহিলিপাৰা আদি অঞ্চলৰ পৰা প্ৰতিমা বিসৰ্জনৰ বাবে যোৱা বাহন সমূহ আৰ জি বৰুৱা পথ, চানমাৰি, গুৱাহাটী ক্লাব হৈ লাচিত ঘাটলৈ যাব পাৰিব। এই সময়ছোৱাত সাধাৰণ যানবাহনৰ বাবে পথ কেইটা সম্পূৰ্ণ ৰূপে বন্ধ থাকিব।

0000000

চলচিত্ৰ নিৰ্মাতা ৰীমা দাসে পুনৰ ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। বুশ্বান আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰছ-২য়ে শ্ৰেষ্ঠ চলচিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। আজি কিছু সময়পূৰ্বে ৰীমা দাসে বুশ্বানত এই বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে ইয়াৰপূৰ্বেও ৰীমা দাসে নিৰ্মাণ কৰা ভিলেজ ৰকষ্টাৰছে কেইবাটাও ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল।

0000000

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী পুৱা ৬বজাত প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হ'ব। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ তৰফৰ পৰা জনোৱা অনুসৰি শ্ৰীমন্ত শংকৰদেৱ জয়ন্তী উপলক্ষে কাইলৈ ভাগৱত পাঠ, আয়তিৰ নাম পৰিবেশন, ধৰ্মালোচনী সভাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইপিনে, সত্ৰপীঠ মাজুলীত আজিৰ পৰাই গুৰুজনাই ৫৭৬ সংখ্যক জন্মোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰ সমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভা সমূহৰ উদ্যোগত আজিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত হয়। উজনি মাজুলী শ্ৰীৰাম ভকতিদুৱাৰ আঞ্চলিক ধৰ্মালোচনী সভাৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মুদৈবিল বৰনামঘৰত গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়।

0000000

আণবিক বোমাৰ আক্ৰমণৰ সময়ত প্ৰাণ ৰক্ষা পৰা লোকক লৈ গঠিত জাপানৰ **নিহন হিদাংকিঅ'** নামৰ গোটটোলৈ ২০২৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। **হিবাকুশ্বা** নামেৰেও পৰিচিত এই গোটটো পাৰমাণৱিক অস্ত্ৰমুক্ত বিশ্বৰ লক্ষ্যত উপনীত হোৱাৰ হকে অক্লান্ত প্ৰচেষ্টা চলোৱাৰ লগতে ভৱিষ্যতে কেতিয়াও পাৰমাণৱিক অস্ত্ৰৰ প্ৰয়োগ হ'বলৈ নিদিয়াৰ স্পষ্ট সংকল্পৰ বাবে জনাজাত। অছলোৰ ন'বেল প্ৰতিষ্ঠানে এই পুৰস্কাৰ ঘোষণা কৰিছে। যোৱা বছৰ ইৰানৰ মানৱ অধিকাৰ কৰ্মী নৰ্গেছ মুহম্মদীক শান্তিৰ ন'বেল বঁটাৰে সন্মানিত কৰা হৈছিল।

0000000

মৰিগাঁও জিলা কাৰাগাৰৰ পৰা যোৱা নিশা পাঁচটা অপৰাধীয়ে পলায়ন কৰা ঘটনা সন্দৰ্ভত কাৰাগাৰখনৰ অধীক্ষক প্ৰশান্ত শইকীয়াক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰা হৈছে। ইফালে, কাৰাগাৰৰ সহ অধীক্ষক নৱদ্বীপ লেখাৰুক শাস্তিমূলকভাৱে বদলি কৰা হৈছে। অপৰাধী কেইটাই নিশা বিচনা চাদৰ, কম্বল আদি জোৰা লগাই কাৰাগাৰৰ দেৱাল বগাই পলায়ন কৰে। ঘটনা সন্দৰ্ভত জিলা আয়ুক্তই ইতিমধ্যে দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। অপৰাধী কেইটাক চাইফুদ্দিন, জিয়াউল, নুৰ ইছলাম, মাফিদুল আৰু আব্দুল ৰচিদ বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতিৰে আমাৰ সংবাদাদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে এই কেওটা অপৰাধীৰ বিৰুদ্ধে মৰিগাওঁ প'কচ' আদালতত বিচাৰ চলি আছিল।

0000000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ চানমাৰিত চলি থকা ভাৰত মাতা পূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰজ্ঞাৰ উদ্যোগত আয়োজিত ভাৰত মাতা পূজন কাৰ্যসূচীত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী

শ্ৰীসোণোৱালে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে। ৮ অক্টোবৰৰ পৰা অনুষ্ঠিত ভাৰত মাতা পূজন কাৰ্যসূচী কাইলৈ অন্ত পৰিব।

০০০০০০০

সমাপ্ত